# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৩ এপ্ৰিলত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী আৰু ইছলামৰ দ্বিতীয় খলিফা হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ ঈমান বৰ্দ্ধক চমু বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি মই হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিম। কবিলা বনু আদ বিন কাআব বিন লুবি (ৰাঃ)ৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ)ৰ দেউতাকৰ নাম আছিল খাত্তাব বিন নফিল আৰু মাকৰ নাম আছিল হানতুমা বিনতে হাশিম।

হজৰত উমৰ (ৰাঃ)ৰ জন্ম তাৰিখ সম্পৰ্কে বিভিন্ন ৰিৱায়ত আছে। যেনে এটা মত এয়া আছে যে হজৰত উমৰ (ৰাঃ)য়ে ফজাৰৰ ডাঙৰ যুদ্ধৰ চাৰি বছৰ আগত অথবা আন এটা অভিমত অনুযায়ী চাৰি বছৰ পিছত জন্ম গ্ৰহণ কৰিছিল। আন এটা ৰিৱায়ত অনুযায়ী এখেত (ৰাঃ)য়ে আমউল ফিল ৫৭০ চনৰ ১৩ বছৰ পিছত অৰ্থাৎ ৫৮৩ চনত জন্ম গ্ৰহণ কৰা বুলি উল্লেখ কৰা হৈছে। এটা ৰিৱায়তত কোৱা হৈছে যে হজৰত উমৰ (ৰাঃ)য়ে ৬ নবৱীত ২৬ বছৰ বয়সত ইছলাম গ্ৰহণ কৰিছিল। এই হিচাপত হজৰত উমৰ (ৰাঃ)ৰ জন্ম ৫৯০ চনত হোৱা বুলি ঠাৱৰ কৰিব পৰা যায়। অইন এটা ৰিৱায়তত এয়া আছে যে হজৰত উমৰ (ৰাঃ)ৰ জন্ম তেতিয়া হৈছিল যেতিয়া নবী কৰিম (ছাঃ)ৰ বয়স হৈছিল ২১ বছৰ। হজৰত উমৰ (ৰাঃ)ৰ কুনিয়াত (উপনাম) আছিল আবু হাফচ।

এবাৰ হজৰত ইবনে আববাছ হজৰত উমৰ (ৰাঃ)ক প্ৰশ্ন কৰিছিল যে আপোনাৰ উপাধি ফাৰুক কেনেকৈ ৰখা হৈছে। ইয়াৰ উত্তৰত হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে মই হজৰত হামজা (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰাৰ পিছত আৰু মছজিদে হৰামত আবু জাহিলক কামানেৰে ঘাইল কৰাৰ পিছত তিনি দিনৰ দিনাখন বাহিৰলৈ ওলাইছিলো। বাটতে বনু মখজুমৰ এজন লোকৰ পৰা জানিব পাৰিছিলো যে মোৰ ভনী আৰু তাইৰ গিৰিয়েকে ইছলাম গ্ৰহণ কৰিছে।এয়া শুনি মই মোৰ ভনীৰ ঘৰলৈ যাওঁ, য'ত মই কিবা পঢ়ি থকাৰ গুণ গুণ শব্দ শুনা পাইছিলো। মই ঘৰৰ ভিতৰত প্ৰৱেশ কৰিছিলো আৰু মোৰ ভনী জোৱাইয়েকৰ সৈতে বাক-বিতণ্ডা হোৱাত মই তাৰ চুলিত ধৰি মাৰ পিট কৰি ৰক্তাত্ত্ব কৰি পেলাইছিলো। আন এটা ৰিৱায়তত নিজৰ ভনীয়েকক আহত কৰাৰ উল্লেখ পোৱা যায়। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে সেই আঘাতৰ ফলত তেজ ওলোৱা দেখি মই বৰ দুখিত

হৈছিলো আৰু লাজ পাইছিলো। মই তাতে বহিছিলো আৰু কৈছিলো যে মোক সেই কিতাপটো দেখুওৱা যি তোমালোকে পঢ়ি আছিলা। তেতিয়া মোৰ ভনীয়ে কৈছিল যে তুমি আগতে গা ধুই আহাগৈ। যেতিয়া মই গোচল কৰি আহিছিলো তেতিয়া তেওঁলোকে মোলৈ সেই পৃষ্ঠা যি তেওঁলোকে পঢ়ি আছিল, আগবঢ়াই দিয়ে। এয়া ছুৰা তাহাৰ ২ ৰ পৰা ৯ নম্বৰ আয়াতবোৰ আছিল। উক্ত আয়াতবোৰৰ মহত্বই মোৰ হৃদয় জোকাৰি গৈছিল। মই তৎক্ষণাত তাৰ পৰা উঠি দ্বাৰে আৰকামলৈ যাওঁ আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত উপস্থিত হৈ ইছলাম গ্ৰহণ কৰো। এয়া প্ৰত্যক্ষ কৰি সকলো চাহাবাই একেলগে আল্লাহ আকবৰ ধ্বনি দিছিল যাৰ শব্দ মক্কাৰ বাসিন্দা সকলে শুনিবলৈ পাইছিল। ইয়াৰ পিছত আমি সকলোৱে দুটা শাৰী পাতি আহি মছজিদে হৰামত প্ৰৱেশ কৰিছিলো। ইয়াৰে এটা শাৰীত আছিলো মই আৰু আনটো শাৰীত আছিল হজৰত হামজা। যেতিয়া কুৰাইছ সকলে মোক আৰু হামজাক দলভুক্ত দেখিছিল তেতিয়া তেওঁলোকে মনত এনেকুৱা দুঃখ আৰু কষ্ট পাইছিল যে তেনেকুৱা কষ্ট আগতে কেতিয়াও পোৱা নাছিল। সেই দিনাখন হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে মোৰ নাম ফাৰুক অৰ্থাৎ হক(সত্য) আৰু বাতিল (মিছাৰ) মাজত বিভাজন সৃষ্টি কৰোঁতা ৰাখিছিল। উল্লেখিত ৰিৱায়ত অনুযায়ী হজৰত উমৰ (ৰাঃ) দ্বাৰে আৰকমত ইছলাম গ্ৰহণ কৰোঁতা সকলৰ মাজত শেষ ব্যক্তি আছিল।

নিপুন আশ্বাৰোহী,দক্ষ মল্লযুদ্ধা,বাহুবলী,ওখকায় আকৃতি মজবুত দেহৰ গৰাকী হজৰত উমৰ (ৰাঃ)কুৰাইছ সকলৰ সেই সোতৰ জন লোকৰ মাজত এজন আছিল যিয়ে লিখা-পঢ়া জানিছিল। ইছলাম গ্ৰহণ কৰাৰ আগত কুৰাইছ সকলৰ ফালৰ পৰা দূত হিচাপে দায়িত্ব পালন কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে আগতে ইছলামৰ সৈতে ঘোৰ শত্ৰুতা ৰাখিছিল কিন্তু তেখেতৰ মাজত ৰূহানি (আধ্যাত্মিক) শক্তিও মজুদ আছিল। ৰছুল কৰিম (ছাঃ) আৰু চাহাবা সকলক দুঃখ কষ্ট দিছিল যদিও এখেত (ৰাঃ)ৰ হৃদয়ত সহানুভূতিও অনুভূত আছিল। মুছলমান সকলে হাবশালৈ হিজৰত কৰি যোৱাৰ দিনাখন ৰাতিত এন্ধাৰতে হজৰত উমৰ (ৰাঃ)য়ে মক্কাৰ চাৰিওফালে ঘূৰি আছিল। এনেতে দেখিবলৈ পাইছিল যে এজনী চাহাবীয়ে ভ্ৰমণলৈ সাজু হৈ কৰবালৈ গৈ আছে। তাইক প্ৰশ্ন কৰাত চাহাবীয়ে কৈছিল যে হে উমৰ! আমি এই কাৰণেই জন্মভূমি এৰি গুচি গৈ আছো তুমি আৰু তোমাৰ ভাই সকলে,আমি ইয়াত থকাটো ভাল নাপায় আৰু আমাৰ খোদায়ে ওৱাহিদৰ ইবাদত কৰাৰ অধিকাৰ ইয়াত নাই। এই কথাবোৰ শুনি হজৰত উমৰ (ৰাঃ)য়ে মনত ইমান কষ্ট পাইছিল যে নিজৰ মুখখন বেলেগ ফালে ঘূৰাই লৈছিল আৰু কৈছিল ঠিক আছে যোৱা ! খোদা তোমালোকৰ ৰক্ষক হওঁক।

হজৰত উমৰ (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰি ল'বলৈ আঁ-হজৰত (ছাঃ)য়ে আল্লাহ তা'লাৰ ওচৰত এই দোৱা কৰিছিল যে হে আল্লাহ! সেই দুজন ব্যক্তি অৰ্থাৎ আবু জাহিল আৰু উমৰ বিন খাত্তাবৰ ভিতৰত তোমাৰ ওচৰত প্ৰিয় ব্যক্তি জনৰ জৰিয়তে ইছলামক সন্মান দান কৰা। ৬ নবৱীৰ জিলহজ্ব মাহত যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰিছিল, সেই সময়ত মক্কাত পুৰুষ মুছলমানৰ সংখ্যা আছিল চল্লিশ জন। হজৰত উমৰ (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰাৰ সময়ত হজৰত জিব্ৰাইল অৱতীৰ্ণ হৈ আঁ-হুজুৰ (ছাঃ)ক কৈছিল-হে মহম্মদ (ছাঃ)। উমৰৰ ইছলাম গ্ৰহণত আচমানী সকলেও আনন্দিত হৈছে।

হজৰত উমৰ (ৰাঃ)ৰ কবুলে ইছলামৰ আচল কাৰণ সম্পৰ্কীয় বিভিন্ন ঘটনা আৰু ৰিৱায়ত হাদীছৰ কিতাপত আৰু জীৱনী বিলাকত উল্লেখ আছে। এটা ৰিৱায়ত অনুযায়ী আবু জাহিল আঁ-হজৰত (ছাঃ)ক হত্যা কৰিব পৰা ব্যক্তি জনৰ বাবে বৰ ডাঙৰ পুৰস্কাৰৰ ঘোষণা কৰিছিল, তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে আঁ-হজৰত

(ছাঃ)ক হত্যা কৰাৰ মানসেৰে মুক্ত তৰোৱাল হাতত লৈ ওলাই পৰিছিল, বাটতে হজৰত উমৰ (ৰাঃ)য়ে এটা দমৰা জবাই কৰোঁতে দেখা পাইছিল।তেতিয়া এখেত (ৰাঃ)য়ে সেই দমৰাটোৰ পেটৰ পৰা এয়া শব্দ শুনিবলৈ পাইছুলি যে হে আলে জৰিহ ! (জৰিহ সেই দমৰাটোৰ নাম আছিল) এজন আহ্বানকাৰীয়ে আল্লাহ তা'লাৰ তৌহিদ আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ৰিছালত (নবুয়ত)ৰ সাক্ষী দিবলৈ মাতি আছে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে চিন্তা কৰিছিল যে এয়া দেখোন মোৰ ফালেই ইঙ্গিত বহন কৰিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যদি এই ৰিৱায়ত শুদ্ধ হয় তেন্তে অনুমান হয় যে এয়া সম্ভৱত কোনো কাশ্‌ফি দৃশ্য আছিল, যি তেখেত (ৰাঃ)য়ে তাত দেখিবলৈ পাইছিল।

আন এটা ৰিৱায়ত এনেদৰে বৰ্ণনা কৰিব পৰা যায় যে এদিন ৰাতি মছজিদ হৰামত হজৰত উমৰ (ৰাঃ)য়ে হুজুৰ (ছাঃ)ক নমাজত মগ্ন থকা দেখাই পাইছিল। তেতিয়া আঁ-হুজুৰ (ছাঃ)য়ে ছুৰা আৰ ৰহমান তিলাওত কৰি আছিল। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে যেতিয়া মই কোৰ-আন কৰিমৰ তিলাওত শুনিছিলো, মোৰ হৃদয় বিগলিত হৈ পৰিছিল আৰু কান্দি উঠিছিলো আৰু ইছলাম মোৰ হৃদয় কক্ষত সোমাই গৈছিল।

এনেদৰেই আন এটা ৰিৱায়তত হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে এদিন ৰাতি মোৰ ভনীয়েকৰ প্ৰসৱ বেদনা উঠাত মই দোৱা কৰিবলৈ কাবাৰ পৰ্দাত লাগি আছিলো। এনেতে হজৰত উমৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ অন্তৰত এনেকুৱা প্ৰভাৱ বিস্তাৰ কৰিছিল যে যেতিয়া হুজুৰ (ছাঃ)য়ে তাৰ পৰা গুচি যাবলৈ লৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ পিছে পিছে গৈছিল। হুজুৰ (ছাঃ)য়ে যেতিয়া এখেত (ৰাঃ)ক দেখা পাইছিল তেতিয়া কৈছিল হে উমৰ ! তুমি মোক নে ৰাতিত এৰি দিয়া, নে দিনটোত এৰি দিয়া। এই কথাখিনি শুনি হজৰত উমৰ (ৰাঃ)য়ে ভয় পাইছিল যে কেনেবাকৈ যেন হুজুৰ (ছাঃ)য়ে তেওঁৰ বাবে বদদোৱা নকৰে; সেয়ে এখেত (ৰাঃ)য়ে তৎক্ষনাত কলিমা শ্বাহাদত পাঠ কৰিছিল।

অইন এটা ৰিৱায়তত হজৰত উমৰ (ৰাঃ)ৰ ইছলাম গ্ৰহণ কৰা সম্পৰ্কে এনেদৰে উল্লেখ আছে যে এদিন এখেত (ৰাঃ)য়ে হুজুৰ (ছাঃ)ক ছুৰাতুল হাক্কাহ তিলাওত কৰোঁতে শুনিবলৈ পায়। তেতিয়া কোৰ-আন কৰিমৰ ৰচনা শৈলী আৰু ছন্দ আদিত আচৰিত হৈ ভাবিছিল যে খোদাৰ শপত ! এয়া দেখোন কোনো কবিৰ কাব্যিক শব্দ। হজৰত উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া মই এয়া ভাবিছিলো তেতিয়া লগে লগেই আঁ-হজৰত (ছাঃ)য়ে এই আয়াত পাঠ কৰিছিল,

إِنَّهُ لَقَوْلُ رَسُوْلٍ كَرِيْمٍ وَّمَا هُوَ بِقَوْلِ شَاعِرٍ

অৰ্থাৎ নিশ্চয় এয়া সন্মানিত ৰছুলে অনা উক্তি আৰু কোনো কবিৰ বক্তব্য নহয়। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে তেতিয়া মই চিন্তা কৰিছিলো যে এইজন সম্ভৱত গনক অৰ্থাৎ যাদুকৰ হয়। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে এই আয়াত পাঠ কৰিছিল,

وَلَا بِقَوْلِ كَاهِنٍ قَلِيْلًا مَّا تَذَكَّرُوْنَ

অথাৎ নাইবা এইটো কোনো গণকৰ কথাও নহয়, তোমালোকে অতি সামান্যই মনোযোগ দিয়া (নচীহত গ্ৰহণ কৰা) হজৰত উমৰ (ৰাঃ)য়ে কয় যে তেতিয়াৰ পৰাই ইছলামে মোৰ হৃদয়ত সাঁচ বহুৱাই গৈছিল।

হজৰত উমৰ (ৰাঃ)ৰ কবুলে ইছলাম সম্পৰ্কে থকা ৰিৱায়তৰ ওপৰত ব্যাখ্যা কৰোঁতে হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইতিহাস আৰু জীৱনী মূলক গ্ৰন্থ বিলাকত বিভিন্ন ধৰণৰ ৰিৱায়ত পোৱা যায়। সেইবোৰ ৰিৱায়ত

(বৰ্ণনা) যিয়ে শুদ্ধ বুলি ভাৱিছে তেওঁ বৰ্ণনা কৰিছে। কিন্তু আমি এই ৰিৱায়তটোহে বেছি শুদ্ধ বুলি মানি লওঁ, যিটো ভনী আৰু ভনীৰ জোৱাইৰ ঘৰৰ কাহিনী (ঘটনা) আছিল। পিছত তাৰে পৰাই হজৰত উমৰ (ৰাঃ)য়ে দ্বাৰে আৰকমলৈ গৈছিল। সম্ভৱত উল্লেখিত সকলো ৰিৱায়তই নিজৰ নিজৰ ঠাইত শুদ্ধ আছে। যাৰ পৰা এয়া ফলাফল ওলায় যে বিভিন্ন সময়ত হজৰত উমৰ (ৰাঃ)ৰ হৃদয়ত পৰিৱৰ্তনীয় ঘটনা সংগঠিত হৈ আছিল আৰু শেষত এয়াই ঘটিছিল যে যেতিয়া ভনীয়েকৰ ঘৰত কোৰ-আন কৰিম শুনিছিল, তেতিয়া গৈ কবুলে  ইছলামৰ বাবে দৰবাৰে ৰিছালতত উপস্থিত হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ ইনশা আল্লাহ তা'লা চলি থাকিব। খোতবা জুমাৰ শেষত হুজুৰ (আইঃ)য়ে তলত উল্লেখিত মৰহুমিন সকলৰ চমু পৰিচয়েৰে নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে।

মাননীয় আহমদ মহম্মদ শ্বববতি চাহাব (ছদৰ জমাত আহমদীয়া ইয়ামিন) এখেতৰ ৯ এপ্ৰিল ২০২১ চনত ৮৭ বছৰ বয়সত মিচৰত মৃত্যু হৈছে। মাননীয় কুৰাইশ জাকাল্লাহ চাহাব একাউনটেণ্ট দফতৰ জলছা ছালানা) এখেতৰও ২০২১ চনৰ ৯ এপ্ৰিলত ৮৭ বছৰ সয়সত মৃত্যু হৈছে। মাননীয় মালিক খলিফা দাদ চাহাব (কানাডা) ৮৫ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছে। মাননীয় মহম্মদ ছেলিম চাবিৰ চাহাব (কৰ্মী নজাৰত উমৰে আমা) ৭৭ বছৰ বয়সত ২০২১ চনৰ ২৭ মাৰ্চত মৃত্যু বৰণ কৰিছে। মাননীয়া নঈমা লতিফ চাহিবা পত্নী চাহাবজাদা মেহেদি লতিফ চাহাব (আমেৰিকা)মৰহুমা ১০ মাৰ্চত ২০২১ চনত মৃত্যু বৰণ কৰিছে। মাননীয়া চফিয়া বেগম চাহিবা পত্নী মহম্মদ শ্বৰীফ চাহাব (কানাডা) ৮০ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৰা ইন্না ইলাইহি ৰাজিউন-

হুজুৰ আনোৱাৰ (আইঃ)য়ে উল্লেখিত সকলো মৰহুমিনৰ কাৰণে দোৱায়ে মাগফিৰত আৰু উচ্চ মৰ্যাদা প্ৰাপ্তিৰ কামনা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 23 APRIL 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**